**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থবৰ্গৰ প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ বিতৰণ।

২। ভোটাৰ তালিকাৰ খচৰাৰ পৰা সন্দেহযুক্ত ভোটাৰৰ নাম কৰ্তন কৰিবলৈ বুথ পৰ্যায়ৰ বিষয়াসকলক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৃদ্ধি পোৱা মানৱ সৰবৰাহৰ বিষয়ক লৈ ৰাষ্ট্ৰীয় মহিলা আয়োগৰ উদ্বেগ প্ৰকাশ।

৪। চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী ফৌথাৰত আজিৰে পৰা তিনিদিনীয়াকৈ বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশন।

*আৰু*

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ চতুৰ্থ সংস্কৰণ আজি আৰম্ভ।

000000

ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা, এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক আজি গুৱাহাটীৰ খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ সূত্ৰ অনুসৰি কাইলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এ ডি আৰ ইত উত্তীৰ্ণ ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠী প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

000000

ভোটাৰ তালিকাৰ খচৰাত সন্দেহজনক লোকৰ নাম দেখা মাত্ৰেই কৰ্তন কৰাৰ বাবে যিকোনো ভাৰতীয় নাগৰিকে আবেদন জনাব পাৰে আৰু এয়া অত্যন্ত গুৰুত্বপূৰ্ণ দায়িত্ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ভোটাৰ তালিকাৰ খচৰাক লৈ বিভিন্ন ৰাজনৈতিক দলে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, যে সকলো ৰাজনৈতিক দলৰে সন্দেহজনক লোক দেখা মাত্ৰেই নাম কৰ্তন কৰাৰ বাবে উপযুক্ত পদ্ধতিৰে আবেদন জনোৱাৰ দায়বদ্ধতা আছে।

**বাইট (চি এম)**

অবৈধ নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰে প্ৰথমৰে পৰাই কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে বুথ পৰ্যায়ৰ বিষয়াসকলক সন্দেহযুক্ত ভোটাৰৰ নাম কৰ্তন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। সন্দেহজনক নাগৰিকৰ বিৰুদ্ধে প্ৰতিগৰাকী ভাৰতীয় নাগৰিকে ৬, ৭ আৰু ৮ নম্বৰ নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি অভিযোগ দাখিল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। উল্লেখযোগ্য

যে, ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা উচ্ছেদিত লোকসকলৰ নাম সেই অঞ্চলৰ ভোটাৰ তালিকাত নাথাকিব বুলিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। দখলীকৃত ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰভাৱে উচ্ছেদ অভিযান চলাই যাব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্ছেদিত লোকসকল যদি কোনো এটা স্থানলৈ গৈ নতুনকৈ বসতি কৰিবলৈ লয় নাইবা ভাৰাতীয়া হিচাপে থাকে তেতিয়া তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হ'ব পাৰে।

ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কালি শিৱসাগৰত এখন সংবাদমেলত বিজেপিয়ে ৰাজ্যৰ বাহিৰৰ পৰা ভোটাৰ আনি অসমৰ প্ৰকৃত ভোটাৰৰ নাম কৰ্তন কৰিছে বুলি অভিযোগ কৰে। তেওঁ লগতে এই সন্দৰ্ভত নিৰ্বাচন আয়োগে নিজাববীয়াকৈ গোচৰ ৰুজু নকৰাকলৈও প্ৰশ্ন উত্থাপন কৰে।

০০০০০০

ৰাষ্ট্ৰীয় মহিলা আয়োগে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৃদ্ধি পোৱা মানৱ সৰবৰাহৰ বিষয়ক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া ৰাহটকাৰে কালি ডিব্ৰুগড়ত এখন সংবাদমেলত কয়, যে ৰাজ্যৰ বিভিন্ন অংশত বৃহৎ পৰিসৰত মানৱ সৰবৰাহৰ ঘটনা বৃদ্ধি পাইছে আৰু এয়া অতি উদ্বেগজনক বিষয়। ৰাষ্ট্ৰীয় মহিলা আয়োগে মহিলা আৰু শিশু সৰবৰাহ ৰোধ কৰাৰ বাবে কাম কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰীমতী ৰাহাটকাৰে এইক্ষেত্ৰত কাম কৰা সকলো অংশীদাৰীৰে প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু সজাগতা থকা উচিত বুলি মন্তব্য কৰে। তেওঁ কয়, যে বেছিভাগ মানৱ সৰবৰাহৰ ঘটনা ৰে'লেৰে হয় আৰু সেই বাবে ৰে'লৱেত কৰ্মৰতসকলে এনে ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

মহিলা আয়োগৰ অধ্যক্ষাগৰাকীয়ে সংবাদমেলত অসমৰ চাহ জনগোষ্ঠী অঞ্চলৰ বিশেষকৈ চাহ বাগিচাত কৰ্মৰত মহিলাসকলৰ বিভিন্ন সমস্যা সন্দৰ্ভতো আলোকপাত কৰে। তেওঁ কয়, যে চাহ জনগোষ্ঠীৰ মহিলাসকলৰ আৰ্থিক সুৰক্ষা, ডিজিটেল সাক্ষৰতাৰ মানৰ লগতে তেওঁলোকৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ ব্যৱস্থা কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় মহিলা আয়োগে প্ৰচেষ্টা গ্ৰহণ কৰিছে। ডিব্ৰুগড়ৰ বহুকেইখন চাহ বাগিচাৰ মহিলাসকলক শিক্ষা, স্বাস্থ্য, বাল্য বিবাহ আদি দিশত সচেতনতা বৃদ্ধি কৰাৰ উদ্দেশ্যে বাগিচাৰ লাইনসমূহত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী ফৌথাৰত আজিৰে পৰা তিনিদিনীয়াকৈ বড়ো সাহিত্য সভা ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশন অনুষ্ঠিত হৈছে। কিছুসময় পূৰ্বে বিটিচিৰ কাৰ্যবাহী সদস্য তথা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ধীৰাজ বৰগয়াৰীয়ে ড° মনেশ্বৰ ব্ৰহ্ম সোঁৱৰণী মুখ্য প্ৰৱেশদ্বাৰ মুকলি কৰে। ইয়াৰ পাছতে পদ্মলোচন বড়ো সোঁৱৰণী মুখ্য তোৰণ, প্ৰতিনিধি শিবিৰ আৰু স্বেচ্ছাসেৱক শিবিৰসমূহ মুকলি কৰা হ'ব। দিনৰ চাৰে ১১ বজাত 'সপোনৰ পৰা গন্তব্য স্থানলৈ, প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰ কৌশল' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত কবি সন্মিলন আৰু চাৰে ৪ বজাত 'বড়োসকলৰ সমসাময়িক আৰ্থ-সামাজিক জীৱন অন্বেষণ' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাৰ পৰা প্ৰথম প্ৰতিনিধি সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। কাইলৈ স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ'ব। পৰহিলৈ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

০০০০০০

ৰাজ্যৰ বিভিন্ন অংশত অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা প্ৰস্তুতৰ আয়োজন কৰিছে।

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চিৰাং জিলা গোটৰ উদ্যোগত আৰু গ্ৰামোন্নয়ন বিভাগৰ সহযোগত কাজলগাঁৱৰ বজাৰৰ বাকৰিত কালি সন্ধিয়াৰে পৰা তিনি দিনীয়াকৈ অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। বিটিচিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্মাই উদ্বোধন কৰা এই ভোগালী মেলাত চিডলী-চিৰাং আৰু বড়ো বজাৰ খণ্ড উন্নয়ন এলেকাৰ ৩১টা আত্মসহায়ক গোটে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইতো ভোগালী বিহুক আদৰাৰ প্ৰস্তুতি পৰিলক্ষিত হৈছে। জিলাখনৰ শাস্ত্ৰী নগৰ ভোগালী বিহু উদযাপন সমিতিয়ে এইবাৰ ৪৫ ফুট উচ্চতাৰ মেজি সাজি উলিয়াইছে। ভোগালী বিহুৰ উৰুকাৰ দিনা বিভিন্ন থলুৱা খেল-ধেমালি প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে বুলি আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনাইছে। ডিব্ৰুগড় জিলাৰ ৰহমুৰীয়া অঞ্চলৰ বৰতিচুক গাঁৱত পূৰ্বৰ পৰম্পৰা অনুসৰি মাঘ বিহু উদযাপনৰ আয়োজন কৰা হৈছে। গাঁওখনৰ যুৱকসকলে একত্ৰিত হৈ জাতিয় সাজপাৰ পিন্ধি একোখনকৈ খৰিৰ ভাৰ নৈৰ পাৰৰ পৰা মুকলি পথাৰলৈ আনি ভেলাঘৰ আৰু ভোজভাত খোৱাৰ পৰম্পৰা অতীজৰে পৰা চলি আহিছে। এইবাৰো সকলোৱে আনন্দ-উল্লাসেৰে এই পৰম্পৰা ৰক্ষা কৰা দেখা গৈছে।

০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চৰাইদেউ মহোৎসৱ আৰম্ভ হৈছে। জিলা আয়ুক্ত ডাঃ নেহা যাদৱে পুৱা মহোৎসৱৰ মুখ্য তোৰণ উদঘাটন কৰে। উদযাপন সমিতিৰ সভাপতি তথা সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে পতাকা উত্তোলন কৰাৰ পাছত স্বৰ্গদেউসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ৰাজ্যিক পুৰাতত্ত্ব বিভাগৰ সঞ্চালিকা ডº দীপিৰেখা কুলীয়ে মহোৎসৱৰ গ্ৰন্থ, বস্ত্ৰ আৰু কৃষিমেলা উদ্বোধন কৰিব। ইয়াৰ পাছতে ৰাজ্য চৰকাৰৰ মন্ত্ৰী যোগেন মোহনে পৰম্পৰাগত খাদ্য মেলা উদ্বোধন কৰিব। প্ৰাক্তন মন্ত্ৰী হিৰণ্য কুমাৰ কোঁৱৰে মঞ্চ মুকলি কৰাৰ পাছতে বিভিন্ন জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰা হ'ব। সন্ধিয়া সাংস্কৃতিক মঞ্চত প্ৰাণৰ শিল্পী জুবিন গাৰ্গক সুঁৱৰি ৫ হাজাৰ শিল্পীয়ে মায়াবিনী গীতটো পৰিৱেশন কৰিব।

তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত চৰাইদেউ মহোৎসৱ এইবাৰ এখন বৃহৎ আকাৰৰ কেনভাছে আকৰ্ষণীয় কৰি তুলিছে। কেনভাছখনত চীনৰ য়ুন্নান প্ৰদেশৰ মাউলুঙৰ পৰা সুদূৰ পাটকাই পৰ্বত অতিক্ৰমী চাউলুং চুকাফাৰ অসম আগমণৰ ছবি শিল্পীৰ তুলিকাত প্ৰাণ পাই উঠিছে। ৫০ ফুট দৈৰ্ঘ্য আৰু ৭ ফুট প্ৰস্থৰ এই বৃহৎ কলেবৰৰ কেনভাছখনত আহোম যুগৰ কেতবোৰ স্মৰণীয় দৃশ্যাৱলী সজীৱভাৱে জিলিকি উঠিছে।

০০০০০০

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ে কালি গুৱাহাটীত অনুষ্ঠিত ৰাষ্ট্ৰীয় বস্ত্ৰ মন্ত্ৰী সন্মিলনত জিলা আধাৰিত বস্ত্ৰ ৰূপান্তৰ উদ্যম মুকলি কৰে। বস্ত্ৰা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, দেশৰ বস্ত্ৰ খণ্ডৰ সৰ্বাত্মক আৰু নিৰন্তৰ বিকাশ সুনিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা এই কৌশলগত উদ্যম অধীনত জিলাসমূহক চেম্পিয়ন আৰু অভিলাষী জিলা হিচাপে ভাগ কৰা হৈছে। চেম্পিয়ন জিলাসমূহে ঘাই ঘাই বাধাসমূহ দূৰ কৰাত গুৰুত্ব আৰোপ কৰিব। এই উদ্যমৰ জৰিয়তে বৃহৎ উমৈহতীয়া সুবিধা কেন্দ্ৰৰ বিকাশ সাধন, কৃত্ৰিম বুদ্ধিমত্তা, বিগ ডাটা আৰু ক্লাউড কম্পিউটিঙৰ দৰে অত্যাধুনিক ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰি স্মাৰ্ট কাৰখানা স্থাপন আৰু ৰপ্তানী বজাৰৰ সৈতে পোনপটীয়া সম্পৰ্ক স্থাপন কৰা হ'ব। অভিলাষী জিলাসমূহে আন্তঃগাঁথনি নিৰ্মাণ কৰাত আৰু কৰ্মবাহিনীক আনুষ্ঠানিক ৰূপ দিয়াৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা অনুকূল তন্ত্ৰ গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিব। মন্ত্ৰালয়ে ১০০ খন উচ্চ সম্ভাৱনাময় জিলাক গোলকীয় ৰপ্তানি চেম্পিয়নলৈ আৰু ১০০ খন অভিলাষী জিলাক আত্মনিৰ্ভৰ কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ লক্ষ্য স্থিৰ কৰিছে। এই অঞ্চলসমূহৰ জনজাতীয় বসতিপ্ৰধান এলেকাসমূহৰ উন্নয়ন, যোগাযোগ ব্যৱস্থাৰ উন্নয়ন আৰু ভৌগোলিক সূচাংক অৰ্থাৎ জি আই টেগিঙৰ বাবে অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে যাতে ইয়াৰ অনন্য সাংস্কৃতিক হস্তশিল্পক আগশাৰীৰ গোলকীয় বজাৰলৈ সৈতে পৰিচয় কৰি দিব পৰা যায়।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাতত কাইলৈ নিশা ৮ বাজি ২ মিনিটত ‘মহিলা সৱলীকৰণৰ অৰ্থে গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ আঁচনিসমূহত আলোকপাত’ শীৰ্ষক এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ’ব। অনুষ্ঠানত ভাগ ল’ব ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী পাৰবিন হুছেইন।

০০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ চতুৰ্থ সংস্কৰণ আজি আৰম্ভ হ'ব। উদ্বোধনী অনুষ্ঠানৰ পাছত নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল ষ্টেডিয়ামত হ'বলগীয়া এইবাৰৰ প্ৰথমখন খেলত ৰয়েলছ ছেলেঞ্জাৰ্ছ বাংগালুৰু, যোৱাবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বতাজ আৰম্ভ হ'ব। উদ্বোধনী অনুষ্ঠানত য়ঁ য়ঁ হানি ছিং, জেকলিন ফাৰ্নানডেজ আৰু হৰনাজ সন্ধুকে ধৰি কেইবাগৰাকীও তাৰকাই অনুষ্ঠান পৰিৱেশন কৰিব।

এইবাৰৰ সংস্কৰণৰ খেলসমূহ নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল ষ্টেডিয়াম আৰু বডোডৰাৰ বি চি এ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। নৱী মুম্বাইৰ খেলসমূহ সমাপ্ত হোৱাৰ পাছত বাকী ১১ খন খেল বডোডৰাত খেলোৱা হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহে ভিন ভিন গুৰুত্বপূৰ্ণ বাতৰিক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। অসমীয়া প্ৰতিদিন কাকতে ভাৰতৰ ওপৰত পাঁচশ শতাংশ মাৰ্কিন শুল্ক আৰোপৰ পথ প্ৰশস্ত শিৰোনামেৰে ৰাছিয়াৰ পৰা কম দৰত তেল ক্ৰয়ৰ পোটক তুলিবলৈ এইবাৰ আমেৰিকা অধিক আগ্ৰাসী হৈ উঠাৰ বাতৰিক বিস্তৃতভাৱে প্ৰকাশ কৰিছে । দি আসাম ট্ৰিবিউন কাকতেও এই বাতৰিক ভাৰতত শুল্ক বৃদ্ধিৰ বাবে বিধেয়ক উত্থাপন কৰাৰ বাবে প্ৰস্তুত। দৈনিক অগ্ৰদুত কাকতৰ মুখ্য বাতৰিৰ শিৰোনাম ন্যূনতম সমৰ্থিত মূল্যৰ বৃদ্ধিৰ বিপৰীতে প্ৰতি বছৰে হ্ৰাস ধান ক্ৰয়ৰ লক্ষ্য বাতৰিটোৰ শিৰণাম মধ্যভোগীকে সুযোগ দিছে চৰকাৰে। নিয়মীয়া বাৰ্তা কাকতে ভোটাৰ লিষ্টৰ পৰা বিজেপিয়ে কাটিব সন্দেহযুক্তক শিৰোনামেৰে ভোটাৰ তালিকা পুনৰীক্ষণ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ স্পষ্ট ঘোষণাৰ বিষয়ে বাতৰি পৰিৱেশন কৰিছে ।অসমীয়া খবৰ কাকতৰ মুখ্য বাতৰিৰ শিৰোনাম বাংলাদেশী মুছলমানৰ সংখ্যা হ'বগৈ চল্লিছ শতাংশ। দৈনিক জনভূমিকাকতে মমতাই কাঢ়ি নিলে সেউজীয়া ফাইল শিৰোনামেৰে, ইডিৰ তালাচীৰ সময়ত হোৱা চাঞ্চল্যকৰ ঘটনাক অন্যতম গুৰুত্বপূৰ্ণ বাতৰি হিচাপে প্ৰকাশ কৰিছে । ছিংগাপুৰৰ কৰৰ্ণাচ কৰ্টত জুবিন গোচৰ, শুনানি চৈধ্য জানুৱাৰীৰ পৰা- এই বাতৰিক বক্স নিউজ হিচাপে আমাৰ অসম কাকতে বিশেষ গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। দ্য চেণ্টিনেল কাকতে,ৰাষ্ট্ৰীয় মহিলা আয়োগে অসমত মানৱ সৰবৰাহৰ গোচৰ বৃদ্ধি হোৱাৰ বাতৰিত উদ্বেগ প্ৰকাশ কৰাৰ বাতৰিক গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মৈদাম ক্ষেত্ৰত আজিৰে পৰা চৰাইদেউ মহোৎসৱ শীৰ্ষক এটা বাতৰিক দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

০০০০০০

গোৱালপাৰা জিলাত খেলৰ পৰিৱেশ গঢ়ি তুলি খেলুৱৈসকলৰ উৎসাহিত কৰাৰ উদ্দেশ্যে জিলা আয়ুক্ত প্ৰদীপ টিমুঙে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। খেলুৱৈসকলে যাতে জিলাখনকৈ গৌৰৱ কঢ়িয়াই আনিব পাৰে সেই উদ্দেশ্যে আগত ৰাখি ৪১ গৰাকী মহিলা ফুটবল খেলুৱৈক কালি জিলা আয়ুক্তগৰাকীয়ে বুট জোতা প্ৰদান কৰে। কল্যাণপুৰ হাইস্কুল খেলপথাৰত উপস্থিত হৈ সামগ্ৰীখিনি প্ৰদান কৰাৰ লগতে অনাগত দিনত প্ৰয়োজন সাপেক্ষে যিকোনো ক্ষেত্ৰত সহায় আগবঢ়োৱাৰ তেওঁ আশ্বাস দিয়ে। গোৱালপাৰা জিলাৰ পৰিষদৰ সভাপতি মহন্ত ৰাভাই আয়ুক্তগৰাকীৰ এই পদক্ষেপৰ শলাগ লয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু  পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে ঘন কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**